**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-04-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ আটাইকেইটা শাখাৰ ফলাফল ঘোষণা কৰা হৈছে। এইবাৰ পৰীক্ষাত উত্তীৰ্ণৰ হাৰ  কলা শাখাত প্ৰায় ৮১ শতাংশ, বিজ্ঞান শাখাত ৮৪ দশমিক ৮-৮ শতাংশ, বাণিজ্য শাখাত প্ৰায় ৮২ শতাংশ আৰু বৃত্তিগত শাখাত প্ৰায় ৬৮ শতাংশ। কলা শাখাত অৱতীৰ্ণ ২ লাখ ২৬ হাজাৰ ৭৫৬ হাজাৰ শিক্ষাৰ্থীৰ ভিতৰত ৪৯ হাজাৰ ৫৭৭ গৰাকী প্ৰথম, ৮০ হাজাৰ ৬৫০ গৰাকী দ্বিতীয় আৰু ৫৩ হাজাৰ ৫১৮ গৰাকী শিক্ষাৰ্থী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে।

একেদৰে বিজ্ঞান শাখাত অৱতীৰ্ণ ৫৬ হাজাৰ ৯০৯ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ২৫ হাজাৰ ৮২৭ গৰাকী প্ৰথম, ১৯ হাজাৰ ২৮৬ গৰাকী দ্বিতীয় আৰু ৩ হাজাৰ ১৯৬ গৰাকী শিক্ষাৰ্থী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে।

বাণিজ্য শাখাত অৱতীৰ্ণ ১৭ হাজাৰ ৭৪৬ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ছহেজাৰ ৫১৯ গৰাকী প্ৰথম, ৫ হাজাৰ ৭৬০ গৰাকী দ্বিতীয় আৰু দুহেজাৰ ৩০৫ গৰাকী শিক্ষাৰ্থী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে।

ঘোষিত ফলাফল অনুসৰি এইবেলি তিনিওটা শাখাতে উত্তীৰ্ণৰ হাৰ ২০২৪ বৰ্ষৰ তুলনাত কিছু হ্ৰাস পাইছে।

বিদ্যালয়ৰ শিক্ষা পৰিষদে প্ৰকাশ কৰা জাননী অনুসৰি উত্তীৰ্ণ শিক্ষাৰ্থীসকলৰ ছপা মাৰ্কশ্বিট আৰু প্ৰমাণপত্ৰ পৰৱৰ্তী সময়ত প্ৰদান কৰা হ'ব। পৰীক্ষাত অনুত্তীৰ্ণ শিক্ষাৰ্থীসকলক ছপা মাৰ্কশ্বিট প্ৰদান কৰা নহয়। অৱশ্যে অনুত্তীৰ্ণ হোৱা কোনো শিক্ষাৰ্থীয়ে ছপা মাৰ্কশ্বিট ল'বলৈ পৰিষদৰ কাৰ্যালয়ত পৃথকভাৱে আবেদন কৰিব লাগিব।

ooooooo

পৰহিলৈ হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে আজি প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। প্ৰথম পৰ্যায়ত তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি জিলাক সামৰি লোৱা হ'ব। প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ কেইঘণ্টামান বাকী থকা অৱস্থাত সকলো প্ৰাৰ্থীয়ে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলোৱা পৰিলক্ষিত হৈছে।

মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড° হিমন্ত বিশ্ব শৰ্মাই আজি গোৱালপাৰাৰ ৰংজুলি সাৰাপাৰাত এন ডি এ মিত্ৰজোঁটৰ হৈ প্ৰচাৰ চলায়। তেওঁ আজি বৰপেটা আৰু নলবাৰীৰ ভিন ভিন স্থানত প্ৰচাৰ চলোৱাৰ কথা।

কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱালে আজি তিনিচুকীয়া জিলাৰ পানীতোলা গাঁৱত প্ৰচাৰত অংশ লয়। তেওঁ দিনৰ প্ৰায় ১ বজাত ডিব্ৰুগড় জিলাৰ মানকটা খেলপথাৰত প্ৰচাৰ চলাব।

ইপিনে, বিৰোধী দল কংগ্ৰেছেও কালি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যাপক প্ৰচাৰ চলায়। দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই কালি জহিং চাহ বাগিচাত প্ৰচাৰ চলায়। যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে শিৱসাগৰ আৱৰ্ত ভৱনত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছ

দলে ভাল ফলাফল লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। দলটোৱে আয়োজন কৰা সভাসমূহত মহিলাৰ অংশগ্ৰহণ অধিক বুলিও তেওঁ উল্লেখ কৰে। কংগ্ৰেছ দলৰ নেতা ৰিপুণ বৰাই কালি গহপুৰ বিধানসভা সমষ্টিৰ ৰজাবাৰী ৰংগমঞ্চত আয়োজিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। এই সভাত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সম্পাদক মনোজ চৌহান আৰু অসম প্ৰদেশ কংগ্ৰেছ মহিলা সমিতিৰ সভানেত্ৰী মীৰা বৰঠাকুৰৰ উপৰি বিশ্বনাথ জিলাৰ দলীয় নেতৃবৰ্গ উপস্থিত থাকে। আসন্ন পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অসম গণ পৰিষদ দলে কালি আমবাৰীত থকা মুখ্য কাৰ্যালয়ত দলটোৰ ঘোষণা পত্ৰ মুকলি কৰে। পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছ আৰু ৰাইজৰ দলৰ মাজত মিত্ৰতাক লৈ সৃষ্টি হোৱা বিতৰ্ক সন্দৰ্ভত কালি ৰাইজৰ দলৰ মুখপাত্ৰ ৰাছেল হুছেইনে এখন সংবাদমেলত প্ৰকাশ কৰে।

পৰহিলৈ হ'বলগীয়া নিৰ্বাচনৰ বাবে সংশ্লিষ্ট জিলাসমূহত সুৰা নিষিদ্ধ ঘোষণা কৰাৰ লগতে ৰাজহুৱা বন্ধৰ দিন ঘোষণা কৰা হৈছে।

০০০০০০

অসম চৰকাৰৰ উদ্যোগত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ ৩৫ সংখ্যক মৃত্যুবাৰ্ষিকী উপলক্ষে কাইলৈ নতুন দিল্লীত হ'বলগীয়া এটা অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰাৰ উপৰি তেওঁৰ নামেৰে এটা পথ নামকৰণ কৰিব। নতুন দিল্লীত অনুষ্ঠিত এখন সংবাদমেলত এবছুৰ সভাপতি দ্বীপেন বড়োৱে কালি এই কথা প্ৰকাশ কৰে। বড়োফা স্মৃতিত এবছুৱে কাইলৈ বিয়লি চাৰে ৫ বজাত বিটিআৰকে ধৰি ৰাজ্যৰ প্ৰতিটো ঘৰ আৰু ৰাজহুৱা স্থানত ৫ লাখ মাটিৰ চাকি আৰু মমবাতি জ্বলোৱাৰ সিদ্ধান্ত লৈছে বুলি সভাপতিগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে সমাজ কল্যাণৰ হকে ছাত্ৰ নেতাগৰাকীৰ অৱদানৰ প্ৰতি সন্মান জনাই দেশৰ ৰাজধানীত বড়োফাৰ নামেৰে পথ নামকৰণ কৰাটো ৰাজ্যবাসীৰ বাবে গৌৰৱৰ বিষয়।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। যোৱা নিশা নতুন দিল্লীত অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে দেলহী কেপিটেলছক ১৪ ৰানত পৰাস্ত কৰে।

০০০০০০০

সমাপ্ত